# ASSAMESE (MIL)

## SYLLABUS FOR HIGHER SECONDARY COURSE

## অসমীয়া বিষয়ৰ পাঠ্যক্ৰম

**ভাষা-শিক্ষাৰ উদ্দেশ্য ঃ**

ভাষা মানৱ সভ্যতাৰ অপৰিহাৰ্য অংগ। সকলো মানুহে বিভিন্ন উদ্দেশ্যত ভাষা ব্যৱহাৰ কৰে। ভাষা হ'ল মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ মাধ্যম। কেৱল আদান-প্ৰদানৰ মাধ্যমেই নহয়, ভাষা আয়ত্তৰ জৰিয়তে জ্ঞান আহৰণৰ পথো প্ৰশস্ত হৈ থাকে। জন্মৰ পিছৰ পৰা শিশুৱে ভাষা আয়ত্ত কৰে। শিক্ষাগত অৰ্হতা গ্ৰহণৰ বাবে বিদ্যালয়লৈ যোৱাৰ পিছৰে পৰা ভাষা শিক্ষাৰ বিশেষ দিশ উন্মোচিত হয়। সামাজিক প্ৰাণীৰূপে মানুহে ভাষা আয়ত্ত কৰে বিভিন্ন ক্ষেত্ৰত, বিভিন্ন ধৰণে। ছাত্ৰ-ছাত্ৰীক ভাষা-শিক্ষা প্ৰদানৰ উদ্দেশ্য হৈছে বিভিন্ন পাঠৰ জৰিয়তে জীৱন আৰু জগত সম্পৰ্কে অৱগত কৰোৱা। ভাষা-শিক্ষা এক জটিল প্ৰক্ৰিয়া। উচ্চতৰ মাধ্যমিক স্তৰত ছাত্ৰ-ছাত্ৰীক ভাষা-শিক্ষা প্ৰদান কৰোঁতে বিভিন্ন পদ্ধতি আৰু কৌশল অৱলম্বন কৰিব লাগিব।

**ভাষা-শিক্ষাৰ কৌশল ঃ**

ভাষা-শিক্ষাৰ ক্ষেত্ৰত কেইবাটাও কৌশল অৱলম্বন কৰা হয়। পঠন, লিখন, শ্ৰৱণ আৰু কথন— এইকেইটা কৌশল প্ৰধান। অৱশ্যে উচ্চতৰ মাধ্যমিক স্তৰত আন কেতবোৰ কৌশলৰ প্ৰতিও সজাগ হ'ব লাগিব। ইয়াৰ ভিতৰত কথোপকথনৰ কৌশল, উচ্চস্তৰীয় লিখন কৌশল, টোকা প্ৰস্তুত, সাৰাংশ প্ৰস্তুত, ব্যাকৰণৰ জ্ঞান আহৰণ আদি অন্যতম।

**বিশেষ গুৰুত্ব দিবলগীয় দিশ ঃ**

উচ্চতৰ মাধ্যমিক স্তৰত পঠনৰ দিশত বিশেষ গুৰুত্ব দিয়া নহয় যদিও, ইয়াৰ প্ৰয়োজন আছে। কাৰণ ব্যাকৰণৰ জ্ঞান আয়ত্ত কৰোঁতে অথবা সঠিক উচ্চাৰণৰ প্ৰতি লক্ষ্য ৰাখোঁতে এই পঠন অপৰিহাৰ্য। শ্ৰৱণ আৰু কথনৰ দিশতো গুৰুত্ব দিব লাগিব। ইয়াৰ লগে লগে অধিক গুৰুত্ব দিবলগীয়া বিষয়টো হ'ল লিখন। ব্যাকৰণৰ বিষয়বোৰ প্ৰস্তুত, পাঠ সম্বন্ধীয় প্ৰশ্নাৱলী প্ৰস্তুত, শ্ৰৱণ আৰু কথনৰ জৰিয়তে কথোপকথনৰ কৌশল অতি আৱশ্যক। ছাত্ৰ-ছাত্ৰীৰ (পাঠৰ) মৌখিক উপস্থাপন, সামূহিক পাৰস্পৰিক আলোচনা, পাঠৰ মূল বক্তব্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি আকৰ্ষণ, টোকা সঠিকভাৱে প্ৰস্তুত, পাঠৰ লগত সংগতি থকা বিষয়ৰ অৱতাৰণা, ব্যাকৰণৰ জ্ঞান প্ৰদানৰ জৰিয়তে ভাষা-জ্ঞান বৃদ্ধি— এই বিষয়বোৰৰ প্ৰতি শিক্ষকে মনোনিবেশ কৰিব লাগিব। ৰচনা লিখন, পত্ৰ লিখন, সৃষ্টিধৰ্মী লিখন আদি বিষয়বোৰ ছাত্ৰ-ছাত্ৰীৰ ভাষা আহৰণৰ অন্যতম আহিলা। শিক্ষকে ছাত্ৰ-ছাত্ৰীক এই দিশত অনুশীলনৰ জৰিয়তে উপযুক্ত কৰি গঢ় দিবলৈ সক্ষম হ'ব।

**অসমীয়া (আধুনিক ভাৰতীয় ভাষা)**

**পটভূমি ঃ**

একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক অসমীয়া সাহিত্যৰ নিৰ্বাচিত পাঠ অধ্যয়নৰ জৰিয়তে ঐতিহ্যমণ্ডিত অসমীয়া ভাষা সাহিত্য সম্পৰ্কে সম্যক জ্ঞান দিবলৈ বিচৰা হৈছে। এই উদ্দেশ্য আগত ৰাখিয়ে অসমীয়া সাহিত্যৰ প্ৰাচীন, মধ্য আৰু আধুনিক যুগত ৰচিত নিৰ্বাচিত লেখকৰ পাঠ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা শুদ্ধ ৰূপত শিকিব/লিখিব পৰাত সহায়ক হ'ব বুলি বিবেচনা কৰি আৱশ্যকীয় ব্যাকৰণ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে।

**উদ্দেশ্য ঃ**

পাঠ্যক্ৰম যুগুত কৰোঁতে এই কথাকেইটালৈ দৃষ্টি ৰখা হৈছে ঃ

- ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত পাঠ যাতে সহজে আয়ত্ত কৰিব পাৰে।
- পাঠবোৰ যাতে ৰসাল হয়।
- পাঠ অধ্যয়নৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মনত যাতে জাতীয় সংস্কৃতি ঐতিহ্যৰ ভাব জাগ্ৰত হয়।
- ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাষাৰ উপৰি শ্ৰেণীকোঠাৰ বহুভাষিক বাস্তৱ পৰিস্থিতিৰ লগত খাপ খাব পৰা হোৱাকৈ পাঠ্যক্ৰম যুগুত কৰা।
- বিশ্লেষণাত্মক আৰু সৃষ্টিধৰ্মী দুয়োটা দিশতে গুৰুত্ব প্ৰদান কৰা।
- বিষয়বস্তু অনুসৰি ভাষাৰ স্তৰ যে বেলেগ তাৰ প্ৰতি দৃষ্টি দিয়া।
- লিখিত ভাষা যে ব্যাকৰণ, অভিধানৰ দ্বাৰা নিয়ন্ত্ৰিত সেই কথা জানিবৰ বাবে ব্যাকৰণ আৰু অভিধান চৰ্চা কৰিবলৈ উদ্‌গনি দিয়া।

❑ ❑ ❑

# ASSAMESE (MIL)

## SYLLABUS FOR HIGHER SECONDARY FIRST YEAR COURSE

**One Paper** **Time : Three hours** **Marks : 100**

**Unitwise Distribution of Marks & Periods :**

| **Unit** | **Topics** | **Marks** | **Periods** |
|---|---|---|---|
| Unit-I | Prose | 40 | 80 |
| Unit-II | Short Story | 07 | 10 |
| Unit-III | Poetry | 25 | 40 |
| Unit-IV | Drama | 18 | 30 |
| Unit-V | Composition & Grammar | 10 | 20 |
| | **Total :** | **100** | **180** |

পাঠ্যপুথি ঃ **সাহিত্য সৌৰভ** (অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত)

**Unitwise Distribution of Marks & Periods :**

**Unit-I : (গোট-১) নিৰ্বাচিত গদ্য ঃ** **(Marks 40)**

১। ধনৰ ব্যৱহাৰ ঃ সত্যনাথ বৰা
২। অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ ঃ পদ্মনাথ গোহাঞি বৰুৱা
৩। গৌৰৱ ঃ কালিৰাম মেধি
৪। কিতাপৰ কথা ঃ প্ৰফুল্ল দত্ত গোস্বামী
৫। গিবন ঃ হোমেন বৰগোহাঞি
৬। কে'ম্ব্ৰিজৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষানুষ্ঠান ঃ ড° হীৰেন গোহাঁই
৭। অসমৰ পুৰণি খেল-ধেমালি ঃ সুবোধ মল্ল বৰুৱা
৮। এভাৰেষ্টৰ সপোন আৰু বিভীষিকা ঃ প্ৰণয় বৰদলৈ

**Unit-II : (গোট-২) চুটিগল্প ঃ** **(Marks 07)**

১। বিয়াৰ প্ৰেজেণ্ট ঃ চৈয়দ আব্দুল মালিক

**Unit-III : (গোট-৩) নিৰ্বাচিত কবিতা ঃ** **(Marks 25)**

১। ৰাৱণক বিভীষণৰ সজ উপদেশ ঃ মাধৱ কন্দলি
২। বৰগীত ঃ জয় জয় যাদৱ জলনিধিজা ঃ শংকৰদেৱ
৩। ধনবৰ আৰু ৰতনী ঃ লক্ষ্মীনাথ বেজবৰুৱা
৪। বনকুঁৱৰী ঃ চন্দ্ৰকুমাৰ আগৰৱালা

৫। লাচিত ফুকন ঃ দেৱকান্ত বৰুৱা

৬। ৰাজপথ ঃ ভৱানন্দ দত্ত

৭। এখন চিঠি ঃ হেম বৰুৱা

| | |
|---|---|
| **Unit-IV : (গোট-৪) নাটক ঃ** | **(Marks 18)** |

১। কুশল কোঁৱৰ ঃ উত্তম বৰুৱা

| | |
|---|---|
| **Unit-V : (গোট-৫) চমু ৰচনা আৰু ব্যাকৰণ ঃ** | **(Marks 10)** |

❑ ❑ ❑